# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-04-2025 **Time :** 1800 Hrs.

## *Assamese Evening Bulletin*

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিলকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত আছে। কাইলৈ নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল পৰ্বৰ সামৰণি পৰিব। জিলা প্ৰশাসনসমূহে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আগতীয়াকৈ সকলো দিশ চোৱাচিতা কৰিছে। ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা দেখিবলৈ পোৱা গৈছে।

অহা ২ আৰু ৭ মে'ত দুটা পৰ্যায়ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিয়ে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। বিজেপিয়ে অগপ, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি আৰু গণ শক্তিৰে মিত্ৰজোঁট গঠন কৰি আসন্ন পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই নিৰ্বাচনত ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত ৩১৮ খন আসনত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰে ১৭২ খন আসনত মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। গণ শক্তিয়ে জোনাইৰ ৪ খন, মাজুলী আৰু ঢকুৱাখনাত এখনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিয়ে গোৱালপাৰা আৰু দক্ষিণ শালমাৰাত প্ৰতিদ্বন্দ্বিতা কৰিব। এইপৰ্যন্ত মিত্ৰদল অগপক জিলা পৰিষদৰ ৭৩ খন আসন এৰি দিয়া হৈছে। ছখন আসনক লৈ প্ৰাৰ্থী তালিকা এতিয়াও চূড়ান্ত হোৱা নাই। ইপিনে ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে আভ্যন্তৰীণ সংঘাতৰ বাবে এতিয়ালৈকে প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিব পৰা নাই।

শোণিতপুৰ জিলাৰ নদুৱাত বিধায়ক পদ্ম হাজৰিকাৰ উপস্থিতিত বিজেপিৰ প্ৰাৰ্থীসকলে ১১০টা ৱাৰ্ড, ১১টা আঞ্চলিক পঞ্চায়ত আৰু ৪ খন জিলা পৰিষদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে।

ধেমাজি জিলাতো প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া অব্যাহত আছে। ধেমাজিত ১২ খন জিলা পৰিষদৰ আসনৰ ভিতৰত বিজেপিয়ে ১০ খনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে দুখন আসনত মিত্ৰদল অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

শিৱসাগৰ জিলাৰ ৰংপুৰ আৰু দিচাংমুখ জিলা পৰিষদৰ বাবে আজি কংগ্ৰেছ্‌ দলৰ হৈ দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। আনহাতে বিজেপিয়ে জিলাখনৰ ৩টা বিধানসভা এলেকাৰ পৰা দলটোৰ হৈ নিৰ্বাচনত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীৰ এখন তালিকা প্ৰকাশ কৰিছে। এই তালিকাত শিৱসাগৰ বিধানসভা এলেকাৰ বাবে ২৭ গৰাকী, ডিমৌৰ বাবে ২৮ গৰাকী আৰু নাজিৰাৰ বাবে ২৫ গৰাকী প্ৰাৰ্থীৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে।

হোজাই জিলাতো লামডিং সমজিলাৰ কাৰ্যালয়ত আজি মনোনয়ন পত্ৰ দাখিলৰ বাবে যথেষ্ট ভিৰ পৰিলক্ষিত হয়।

০০০০০০

বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আজি ৰাজ্যৰ কেইবাখনো জিলা বজালী, বাক্সা, বৰপেটা, বঙাইগাঁও, চিৰাং, ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, কোকৰাঝাৰ, নলবাৰী, কামৰূপ, গোৱালপাৰা আদি জিলাত ধুমুহাৰ লগতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ জাননী জাৰি কৰিছে।

পশ্চিম কাৰ্বি আংলং জিলাত আজি অহা প্ৰবল ধুমুহাই জিলাখনৰ বিভিন্ন ঠাইত বিস্তৰ ক্ষতি সাধন কৰিছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। ইয়াৰ লগতে জিলাৰ সদৰ হামৰেঙত অনুষ্ঠিত অসমী মেলা থলীও ধুমুহাই বেয়াকৈ ক্ষতিসাধন কৰে।

বতৰ বিজ্ঞান কেন্দ্ৰৰ আগলি বতৰা অনুসৰি আমাৰ পুৱাৰ আঞ্চলিক বাতৰিত এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰা দিয়া হৈছিল।

০০০০০০০

অসমবাসী হেঁপাহৰ ৰঙালী বিহুলৈ মাজত তিনিটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণৰ মনত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। উজনিৰ পৰা নামনিলৈ বিহুৰ আখৰা কৰা ডেকাৰ ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। চৌদিশে পঞ্চায়ত নিৰ্বাচনৰ ব্যস্ততাৰ মাজতে আপোনজনক উপহাৰ দিয়াৰ বাবে জনসাধাৰণে বজাৰসমূহত ভিৰ কৰা পৰিলক্ষিত হৈছে। ইপিনে, ভৌগালিক সূচাংক লাভ কৰা গামোচাৰ চাহিদা বৃদ্ধি হোৱাৰ বিপৰীতে প্ৰশাসনে বহিঃৰাজ্যত প্ৰস্তুত কৰা যন্ত্ৰচালিত শালত প্ৰস্তুত কৰা গামোচাৰ আমদানি ৰোধ কৰাৰ ব্যৱস্থা কৰিছে। ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগে বৰ্হি ৰাজ্যৰ পৰা অহা গামোচাৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। ইয়াৰ পদক্ষেপ হিচাপে আজি গুৱাহাটীৰ খানাপাৰাত অভিযান চলাই ভালেমান গামোচা জব্দ কৰিবলৈ সক্ষম হয়। বাপতিসাহোন ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে।

ইপিনে, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত আৰু জিলা প্ৰশাসনসমূহৰ সহযোগত ৰাজ্যৰ বিভিন্ন ঠাইত অসমী ব'হাগী মেলা-২০২৫ অনুষ্ঠিত হৈছে। ধেমাজি জিলাৰ মৰিচল মহাবিদ্যালয়ৰ অসমীয়া বিভাগ আৰু মহিলা কোষৰ উদ্যোগত আজি এদিনীয়া কাৰ্যসূচীৰে ব'হাগী বৈভৱ শীৰ্ষক এটা কাৰ্যসূচী অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ ১৫ টা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে এই কাৰ্যসূচীত তেওঁলোকে প্ৰস্তুত কৰা পিঠাপনা, জা-জলপান, গামোচাকে ধৰি থলুৱা বস্ত্ৰ সম্ভাৰ বিক্ৰী কৰে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

আজি মহাবীৰ জয়ন্তী। ২৪ সংখ্যক তথা শেষৰ জন জৈন তীৰ্থংকৰ ভগৱান মহাবীৰৰ জন্মবাৰ্ষিকী দেশৰ বিভিন্ন অংশত উলহ-মালহেৰে উদযাপন কৰা হৈছে। জৈন ধৰ্মাৱলম্বীলোকসকলৰ বাবে এই দিনটো অতিকৈ পৱিত্ৰ বুলি গণ্য কৰা হয়।

অসমতো জৈন ধৰ্মাৱলম্বী লোকসকলে ধৰ্মগুৰুগৰাকীৰ জয়ন্তী উলহ-মালহেৰে পালন কৰিছে। মহাবীৰ জয়ন্তী উপলক্ষে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মহাবীৰৰ নৈতিক শিক্ষা আৰু আদৰ্শ স্মৰণেৰে জীৱনত আগবাঢ়ি যাবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে সকলোকে আহ্বান জনাইছে।

ডিব্ৰুগড় জৈন সমাজৰ উদ্যোগত আজি নতুন বজাৰস্থিত জৈন মন্দিৰত ভগৱান মহাবীৰৰ জয়ন্তী ধৰ্মীয় পৰম্পৰাৰে পালন কৰা হয়। এই কাৰ্যসূচীত ৰাজ্যৰ শক্তি আৰু দক্ষতা বিকাশ মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকে। তেওঁ সততা আৰু ভ্ৰাতৃত্ববোধেৰে ভগৱান মহাবীৰ জৈনৰ শান্তিৰ বাৰ্তা অহিংসা আৰু একতাই আমাক এখন সমৃদ্ধিশালী সমাজ গঢ়ি তোলাত সহায় কৰিছে বুলি মতপ্ৰকাশ কৰে। জয়ন্তীৰ লগত সংগতি ৰাখি ডিব্ৰুগড় নগৰৰ মাজেৰে এটা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়।

0000000

**সমাপ্ত**